**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-06 -2024
**Time :** 08-40 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::**

১। সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভৰ্তুহৰি মহতাবক লোকসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিছে।

৩। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে ২০২৪ বৰ্ষৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষা ইউ জি চি নেটৰ সংক্ৰান্তত এটা গোচৰ ৰুজু কৰিছে।

৪। তামিলনাডুত অবৈধ সুৰা পান কৰাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪ লৈ বৃদ্ধি পাইছে।

**আৰু**

৫। ভাৰতে যোৱা নিশা আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আফগানিস্তানক ৪৭ ৰানত পৰাস্ত কৰে।

০০০০০

সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিবৰ্তন কেন্দ্ৰত আয়োজন কৰা মূল অনুষ্ঠানত নেতৃত্ব দিয়ে। এই উপলক্ষে সমাজৰ বিভিন্ন শ্ৰেণীৰ সাত হেজাৰৰো অধিক লোকে শ্ৰীনগৰৰ ডাল হ্ৰদৰ পাৰত প্ৰধানমন্ত্ৰীৰ সৈতে যোগাভ্যাস কৰে। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও গণপতৰাও যাধৱ আৰু আন ভালেমান বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। বিদেশী দূতাবাস আৰু ভাৰতীয় মিছনসমূহেও যোগৰ ব্যাপক প্ৰভাৱক প্ৰতিফলিত কৰি এই দিৱসত অংশ লয়।

ব্যক্তিগত কল্যাণ আৰু সামাজিক সমন্বয় উভয়ৰে প্ৰসাৰৰ ক্ষেত্ৰত যোগৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰি এই বছৰ নিজৰ লগতে সমাজৰ বাবে যোগ বিষয়বস্তুৰে এই দিৱস উদযাপন কৰা হৈছে। যোগাভ্যাসৰ জৰিয়তে গোলকীয় স্বাস্থ্য আৰু সুস্থ জীৱনশৈলীৰ প্ৰসাৰৰ উদ্দেশ্যে বাৰ্তা বহন কৰা হাজাৰ হাজাৰ অংশগ্ৰহণকাৰী ঐক্যবদ্ধ কৰাই এই অনুষ্ঠানৰ মূল উদ্দেশ্য।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰ অংশগ্ৰহণ আৰু গ্ৰাম্যাঞ্চলৰ যোগৰ প্ৰসাৰৰ হকে কাম কৰিবলৈ গাঁওসভাৰ মুৰব্বীসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। ২০১৫ চনত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ শুভাৰম্ভ কৰাৰে পৰা প্ৰধানমন্ত্ৰীয়ে যোগাভ্যাসৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শ্ৰী মোদীয়ে দিল্লীৰ কৰ্তব্য পথ, ছণ্ডীগড়, ডেৰাডুন, ৰাঁচী, লক্ষ্ণৌ, মহীশুৰ আৰু নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়সহ বিশ্বৰ বিভিন্ন প্ৰসিদ্ধ স্থানত যোগ সমাৰোহত অধ্যক্ষতা কৰিছে।

০০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ ৰাজ্য মন্ত্ৰী বি.এল. বাৰ্মাই আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে আয়োজন কৰা এক বিশেষ যোগ শিবিৰত অংশগ্ৰহণ কৰিব।

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে কালি প্ৰকাশ কৰা অনুসৰি মন্ত্ৰালয়ৰ অধীনৰ স্বায়ত্তশাসিত পণ্ডিত দীনদয়াল উপাধ্যায় ৰাষ্ট্ৰীয় বিশেষভাৱে সক্ষম ব্যক্তিৰ প্ৰতিষ্ঠানে এই শিবিৰৰ আয়োজন কৰিছে। এই শিবিৰত ৫৫০ গৰাকী বিশেষভাৱে সক্ষম লোকৰ লগতে দুশৰো অধিক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। নতুন দিল্লীৰ মডাৰ্ণ স্কুলত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ সবলীকৰণ বিভাগৰ সচিব ৰাজেশ আগৰৱালায়ো এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সাংসদ ভৰ্তুহৰি মহতাবক সংবিধানৰ ৯৫ (১) অনুচ্ছেদৰ অধীনত নতুন অধ্যক্ষৰ নিৰ্বাচন নোহোৱালৈকে লোকসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিছে। সামাজিক মাধ্যমত কালি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কীৰেন ৰিজিজুৱে এই বিষয়ে প্ৰকাশ কৰে। অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশ ২৪ জুনত আৰম্ভ হ'ব। ২৬ জুনত অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। এই অধিৱেশনৰ সময়ছোৱাত নৱনিৰ্বাচিত সাংসদসকলক শপত বাক্য পাঠ কৰোৱা হ'ব আৰু ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব। সংসদৰ অধিৱেশনৰ ৩ জুলাইত সামৰণি পৰিব।

০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এই ভ্ৰমণসূচীৰ সময়ছোৱাত শ্ৰীমতী হাছিনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰকো সাক্ষাৎ কৰিব। ভাৰতত নতুন চৰকাৰ গঠন হোৱাৰ পাছত এয়া প্ৰথমটো দ্বিপীক্ষিক ভ্ৰমণ হ'ব।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে ২০২৪ বৰ্ষৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষা ইউ জি চি নেটৰ সংক্ৰান্তত এটা গোচৰ ৰুজু কৰিছে। শিক্ষা বিভাগৰ সচিবৰ পৰা লাভ কৰা অভিযোগ মৰ্মে ভাৰতীয় দণ্ডবিধিৰ ১২০-খ আৰু ৪২০ ধাৰাৰ অধীনত অজ্ঞাত ব্যক্তিৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰা হৈছে। চি বি আয়ে প্ৰকাশ কৰা মতে অভিযোগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা সংকেটৰ ভিত্তিত পৰীক্ষাৰ সততাৰ সৈতে আপোচ কৰা হৈছে যেন ধাৰণা হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই যোৱা ১৮ জুনত দেশৰ বিভিন্ন চহৰত এই পৰীক্ষা অনুষ্ঠিত কৰিছিল।

০০০০০

তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে কালি কয় যে ৰাজ্যখনৰ কল্লাকুৰিচি জিলাত অবৈধ সুৰা সেৱন কৰি ৩৪ জন লোকে প্ৰাণ হেৰুৱাইছে। মুখ্যমন্ত্ৰীয়ে মৃতকৰ পৰিয়ালৰ বাবে ১০ লাখ টকাকৈ আৰু চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাসকলৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে। এই ঘটনাৰ তদন্তৰ বাবে এখন আয়োগো গঠন কৰা হৈছে আৰু আয়োগক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইফালে তামিলনাডু বিজেপিৰ সভাপতি আন্নামালাইয়ে কাইলৈ ষ্টেলিন নেতৃত্বাধীন ডি এম কে

তামিলনাডু চৰকাৰৰ বিৰুদ্ধে ৰাজ্যজোৰা প্ৰতিবাদৰ কথা ঘোষণা কৰিছে। সূত্ৰ অনুসৰি মুঠ ১০৭ জন লোকক কল্লাকুৰিচি চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছিল। ইয়াৰ ভিতৰত ৫৭ জন লোকক চেলেম, ভিলুপুৰম আৰু পুডুচেৰীৰ দৰে অন্যান্য ঠাইৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ পাছত তামিলনাডু আৰক্ষীয়ে কল্লাকুৰিচিত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে, এ আই এ ডি এম কেৰ অধিবক্তাসকলে মাদ্ৰাজ উচ্চ ন্যায়ালয়ক কাল্লাকুৰিচি অবৈধ সুৰা বিষয়ত জৰুৰী আবেদনৰ শুনানিৰ বাবে অনুৰোধ জনাইছে। মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশদ্বয় ডি কৃষ্ণকুমাৰ আৰু কে কুমাৰেশ বাবুৰ এখন খণ্ড বিচাৰপীঠে আজি এই বিষয়ত শুনানি গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।০০০০০

চৰকাৰে আজি বাণিজ্যিক কয়লা খণ্ডৰ দশমলানি নিলাম আৰম্ভ কৰিব। এই পৰ্যায়ত ৬০টা খণ্ড নিলাম কৰা হ'ব।

কয়লা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, এই কয়লাখনিসমূহ বিহাৰ, ছত্তিশগড়, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ওড়িশা, তেলেংগানা আৰু পশ্চিমবংগত অৱস্থিত। ইয়াৰ ভিতৰত ওড়িশাৰ ১৬টা আৰু মধ্যপ্ৰদেশ তথা ছত্তিশগড়ৰ ১৫টাকৈ খনি আছে। কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে হায়দৰাবাদত নিলাম প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিব। ইয়াৰ ফলত আঞ্চলিক বিকাশ ত্বৰান্বিত হ'ব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০ চনত বাণিজ্যিক কয়লাখণ্ডত নীলামৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। তেতিয়াৰে পৰা কয়লা আৰু খনি মন্ত্ৰালয়ে যোৱা ১০টা পৰ্যায়ত ১০৭টা কয়লা খণ্ডৰ নিলাম সফলতাৰে সম্পূৰ্ণ কৰিছে। বৰ্তমানলৈকে ১১টা বাণিজ্যিক কয়লা খণ্ড কাৰ্যক্ষম হৈ আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

১৮ সংখ্যক মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ

আজি সামৰণি পৰিব। যোৱা ১৫ জুনত চাৰ্লি হেমিল্টন-জেমছৰ পৰিচালনাৰে নিৰ্মিত ‘বিলি এণ্ড মলি: এণ অটাৰ লাভ ষ্ট’ৰী’ শীৰ্ষক তথ্যচিত্ৰৰে এই ৭ দিনীয়া মহোৎসৱ মুকলি কৰা হৈছিল। এইবেলি মহোৎসৱত ৫৯খন দেশৰ ৬১ টা ভাষাৰ মুঠ ৩১৪খন চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। ইয়াৰ ভিতৰত ৮খন চলচ্চিত্ৰৰ বিশ্ব প্ৰিমিয়াৰ, ৫খনৰ আন্তঃৰাষ্ট্ৰীয় প্ৰিমিয়াৰ, ১৮খনৰ এছিয়া প্ৰিমিয়াৰ আৰু ২১খনৰ ভাৰত প্ৰিমিয়াৰ অনুষ্ঠিত হয়। সমগ্ৰ দেশৰ দৰ্শকৰ মাজত উৎসৱৰ প্ৰসাৰ ঘটোৱাৰ উদ্দেশ্যে মুম্বাইৰ উপৰি দিল্লী, কলকাতা, পুনে আৰু চেন্নাইতো চলচ্চিত্ৰসমূহৰ সমান্তৰাল প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ সময়চোৱাত বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতাসকলে বাছি উলিওৱা নিৰ্দিষ্ট বিষয়সমূহ সন্দৰ্ভত ২৫টাতকৈও অধিক মাষ্টাৰক্লাছ, আলোচনা সত্ৰ আৰু মুকলি মঞ্চ আলোচনাৰ দিহা কৰা হয়। মহোৎসৱৰ পঞ্জীয়নভুক্ত অংশগ্ৰহণকাৰীসকলৰ বাবে এনিমেচন আৰু ভি এফ এক্স বিষয়ক এখন কৰ্মশালাৰো আয়োজন কৰা হয়। ১৯৯০ চনত আৰম্ভ হোৱা মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ দক্ষিণ এছিয়াৰ আটাইতকৈ পুৰণি চলচ্চিত্ৰ মহোৎসৱসমূহৰ ভিতৰত অন্যতম। দুবছৰৰ মূৰত এবাৰকৈ অনুষ্ঠিত হোৱা এই মহোৎসৱ মূলতঃ তথ্যচিত্ৰ, চুটি ছবি আৰু এনিমেচনৰ প্ৰতি উৎসৰ্গিত। এই মহোৎসৱে সমগ্ৰ বিশ্বৰ তথ্যচিত্ৰ নিৰ্মাতাসকলক মত বিনিময়ৰ লগতে তথ্যচিত্ৰ, চুটি আৰু এনিমেচন চলচ্চিত্ৰৰ সহ-প্ৰযোজনা আৰু বিপণনৰ সম্ভাৱনাসমূহৰ অন্বেষণ কৰাৰ মঞ্চ প্ৰদান কৰি আহিছে।

০০০০০

ভাৰতে যোৱা নিশা বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আফগানিস্তানক ৪৭ ৰানত পৰাস্ত কৰে। আফগানিস্তানে ১৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ আজমতুল্লাহ ওমৰজায়ে সৰ্বাধিক ২৬ ৰান কৰে। ভাৰতৰ যছপ্ৰীত বুমৰাহে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছ্ত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১৮১ ৰান কৰে। ভাৰতৰ হৈ সূৰ্যকুমাৰ যাদৱে ২৮টা বলত ৫৩ ৰান কৰে। আফগানিস্তানৰ ৰাছিদ খানে ৩টা উইকেট লাভ কৰে। সূৰ্যকুমাৰ যাদৱক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰে।

প্ৰতিযোগিতাত আজিৰ দুখন খেলৰ প্ৰথমখনত অষ্ট্ৰেলিয়া বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত বাংলদেশে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৪০ ৰান সংগ্ৰহ কৰিছে। অষ্ট্ৰেলিয়াৰ পেট কামিনছে খেলখনত হেট্ৰিক অৰ্জন কৰিছে। ইফালে ছেইণ্ট লুছিয়াত হ'বলগীয়া দ্বিতীয়খন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**